Printed Pages—3

**3 (Sem–2) ASM L**

# 2015

## ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) কোনগৰাকী প্ৰাচ্যতত্ত্ববিদ পণ্ডিতে ভাৰত-ইউৰোপীয় ভাষাগোষ্ঠীক 'আৰ্য' নামকৰণৰ পৃষ্ঠপোষকতা কৰিছিল ?

(খ) প্ৰাকৃত বৈয়াকৰণিকসকলে সাহিত্যিক প্ৰাকৃতৰ কোনটো প্ৰাকৃতক শ্ৰেষ্ঠ আখ্যা দিছে ?

(গ) পাণিনিয়ে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি ?

(ঘ) ভাৰতৰ একেবাৰে পূব অঞ্চলত প্ৰচলিত নব্য-ভাৰতীয় আৰ্যভাষাটোৰ নাম কি ?

(ঙ) নাগালেণ্ডত প্ৰচলিত সংযোগী ভাষাটো কি নামেৰে জনা যায় ?

(চ) নামনি অসমৰ উপভাষাক প্ৰধানকৈ কেইটা ভাগত ভগাব পাৰি?

(ছ) 'তদ্ভৱ' শব্দৰ অৰ্থ কি?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) ভাৰত-ইউৰোপীয় পৰিয়ালৰ প্ৰধান ভাগ দুটাৰ কথা কোনে, কিমান চনত উল্লেখ কৰে?

(খ) 'পালি' শব্দটোৰ অৰ্থগত তাৎপৰ্য ব্যাখ্যা কৰা।

(গ) গ্ৰীয়াৰ্চনৰ মতে মাগধী অপভ্ৰংশ পূব দিশত কেইটা দিশেৰে বিয়পি পৰিছিল আৰু সেইকেইটা কি কি?

(ঘ) মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ দুটা প্ৰধান ধ্বনিতাত্ত্বিক পাৰ্থক্য উল্লেখ কৰা।

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ ভাষিক বৈশিষ্ট্যবোৰৰ বিষয়ে চমুৱাই লিখা।

(খ) 'সাহিত্যিক প্ৰাকৃত' বুলিলে কি বুজা? ই কেইবিধ আৰু কি কি?

(গ) 'অপভ্ৰংশ' শব্দটোৰ অৰ্থ ব্যাখ্যা কৰি ইয়াৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক নিৰ্ণয় কৰা।

(ঘ) অসমীয়া আৰু উড়িয়া ভাষাৰ মাজত থকা ৰূপগত বৈসাদৃশ্যৰ বিষয়ে উদাহৰণসহ বিশ্লেষণ কৰা।

(ঙ) কামৰূপী উপভাষাৰ শ্বাসাঘাত সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।



৪। (ক) পৃথিৱীৰ সৰ্ববৃহৎ ভাষা-পৰিয়ালটোৰ নাম কি? এই ভাষা-পৰিয়ালৰ অন্তৰ্গত শাখাসমূহৰ নাম উল্লেখ কৰি এটা নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষাৰ বিৱৰ্তনৰ স্তৰ কেইটা আৰু কি কি? প্ৰতিটো স্তৰৰ বিষয়ে চমুকৈ লিখা।

৫। (ক) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে থকা বিভিন্ন মতসমূহ আলোচনা কৰি ইয়াৰে কোনটো মত তোমাৰ মতে গ্ৰহণযোগ্য বুলি বিবেচনা কৰা, সেই সম্পৰ্কে যুক্তি সহকাৰে বিচাৰ কৰি এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) 'অসমীয়া ভাষাৰ সমৃদ্ধি আৰু বিকাশত অসমৰ আৰ্য-ভিন্ন ভাষাসমূহৰ অৱদান' শীৰ্ষক এটি প্ৰবন্ধ লিখা।

৬। (ক) অসমীয়া ভাষাৰ প্ৰধান উপভাষা কেইটা আৰু কি কি? প্ৰত্যেকৰে চমু আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) অসমীয়া শব্দভাণ্ডাৰৰ প্ৰধান উৎস কি কি? অসমীয়া শব্দভাণ্ডাৰত কোনবোৰ বিদেশী ভাষাৰ শব্দৰ অনুপ্ৰৱেশ ঘটিছে, উদাহৰণসহ আলোচনা কৰা।

☆ ☆ ☆